**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১।	কেন্দ্ৰীয় চৰকাৰৰ জি এছ্ টিৰ যুক্তিসংগত সংস্কাৰ সাধনৰ  ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ। জীৱনদায়িনী ঔষধ জি এছ্ টি মুক্ত।

২।	২০২৫ বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰ বাবে শিক্ষা বিভাগৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঘোষণা।

৩।	অলিম্পিকৰ পদক বিজয়ী মনু ভাকেৰক ৰাষ্ট্ৰীয় ভোগেশ্বৰ বৰুৱা ক্ৰীড়া বঁটা প্ৰদান।

৪।	কালি দেহাৱসান ঘটা অসমৰ অনাতাঁৰ সংবাদ সেৱাৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ আজি নৱগ্ৰহ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া।	*আৰু*

৫।	ইংলেণ্ডৰ লিভাৰ পুলত চলিত বৰ্ষৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত অসমৰ লাভলীনা বৰগোহাঁইৰ বক্সিং ৰিঙলৈ প্ৰত্যাৱৰ্তন।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে কালি সামগ্ৰী আৰু সেৱাকৰ – জি এছ্ টি হাৰ হ্ৰাস কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে। সাধাৰণ জনতা, কৃষক আৰু কৃষি, স্বাস্থ্য, শ্ৰমিক, উদ্যোগী তথা অৰ্থনীতিৰ মূল খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি কালি জি এছ্ টি পৰিষদে এই  যুক্তিগত সংস্কাৰ সাধনত অনুমোদন দিছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত অনুষ্ঠিত পৰিষদৰ বৈঠকত কৰৰ স্তৰ যুক্তিসগতভাৱে হ্ৰাস কৰাৰ লক্ষ্যৰে জি এছ্ টিৰ পৰিমাণ পূৰ্বৰ ১৮ অথবা ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। নতুন দিল্লীত পৰিষদৰ বৈঠকৰ অন্তত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে সকলোবোৰ ব্যক্তিগত জীৱনবীমা আঁচনি, স্বাস্থ্য বীমা আঁচনি তথা জ্যেষ্ঠ নাগৰিকৰ বাবে থকা আঁচনিসমূহৰ ক্ষেত্ৰত থকা জি এছ্ টি উঠাই লোৱাৰ বাবে জি এছ্ টি পৰিষদে অনুমোদন জনাইছে। সাধাৰণ সামগ্ৰীৰ ক্ষেত্ৰত কৰ হ্ৰাস কৰাৰ বিপৰীতে কেতবোৰ বিলাসী সামগ্ৰীৰ ক্ষেত্ৰত ৪০ শতাংশ স্তৰ নতুনকৈ ধাৰ্য কৰা হৈছে। এই অনুসৰি ঘিউ, বাদাম, বটলৰ খোৱাপানী, ভুজিয়া, চাইকেল, ছাতি, পেঞ্চিল, ২৫০০ টকালৈকে  জোতা ইত্যাদি সামগ্ৰীৰ ক্ষেত্ৰত এই কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। একেদৰে চেম্পু, মূৰত ঘঁহা তেল, টুথপেষ্ট ইত্যাদি সামগ্ৰীৰ ক্ষেত্ৰত কৰৰ পৰিমাণ পূৰ্বৰ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। নিম্ন মধ্যবিত্ত শ্ৰেণীৰ সহায়ক হোৱাকৈ চিমেণ্ট আৰু টি ভি, ৰেফ্ৰিজাৰেটৰ, ৱাশ্বিং মেচিন, এ চি ইত্যাদি বৈদ্যুতিক সামগ্ৰীৰ ক্ষেত্ৰত জি এছ্ টিৰ পৰিমাণ পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। সৰু গাড়ী, মটৰ চাইকেল, এম্বুলেঞ্চ আদিৰ ক্ষেত্ৰতো কৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। কালি পৰিষদীয় সিদ্ধান্তত স্বাস্থ্য সেৱা আৰু শিক্ষা খণ্ডতো কৰৰ পৰিমাণ লক্ষণীয়ভাৱে হ্ৰাস কৰা হৈছে। জীৱনদায়িনী ঔষধ, ৩৩ প্ৰকাৰৰ কৰ্কট ৰোগৰ ঔষধ, চশমা আৰু অন্যান্য চিকিৎসা সামগ্ৰী কৰমুক্ত কৰা হৈছে বুলি বিত্তমন্ত্ৰী শ্ৰীমতী সীতাৰমনে ঘোষণা কৰে। অন্যান্য ঔষধৰ ক্ষেত্ৰত থকা জি এছ্ টিৰ পৰিমাণ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। সেইদৰে চিকিৎসাত ব্যৱহৃত বিভিন্ন সা-সঁজুলি আৰু শৈল্য চিকিৎসা, দন্ত চিকিৎসা, পশু চিকিৎসা আদিৰ ক্ষেত্ৰত ব্যৱহৃত যন্ত্ৰপাতিৰ ওপৰত থকা জি এছ্ টিৰ পৰিমাণ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

নৱৰাত্ৰীৰ প্ৰথম দিনটোৰ পৰাই অৰ্থাৎ অহা ২২ ছেপ্তেম্বৰ পৰাই এই পৰিৱৰ্তনসমূহ কাৰ্যকৰী হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয়, যে সাধাৰণ লোকসকলৰ বাবে বীমাৰ সুবিধা সুলভ কৰাৰ উদ্দেশ্যে জি এছ টি এই সংস্কাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সামগ্ৰী আৰু সেৱাকৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক সমৰ্থন জনাই এই সংস্কাৰ সময়োপযোগী সিদ্ধান্ত বুলি অভিহিত কৰিছে।

**বাইট (চি এম)**

০০০০০০

শিক্ষা বিভাগে ২০২৫ বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰ বাবে ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঘোষণা কৰিছে। কাইলৈ শিক্ষক দিৱস উপলক্ষে তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব।  সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিষয়ে প্ৰকাশ কৰে। মাধ্যমিক শিক্ষাৰ ৮ গৰাকী আৰু প্ৰাথমিক শিক্ষাৰ ৭ গৰাকী কৃতি শিক্ষক-শিক্ষয়িত্ৰীৰ নাম কালি বঁটাৰ বাবে শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ কয়, যে কৃতি শিক্ষক বাছনিৰ বাবে এখন বিশেষ সমিতি গঠন কৰা হৈছিল। স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে বাছনি কৰিবলৈ কাৰ্যবিধি নিৰ্ধাৰণ কৰাৰ লগতে এটা প'ৰ্টেল মুকলি কৰা হৈছিল। এই বঁটাৰ বাবে মুঠ ৪২৭টা আবেদনৰ পৰা এই ১৫ গৰাকী শিক্ষকক বাছনি কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (ডাঃ ৰণোজ পেগু)**

মাধ্যমিক শিক্ষাৰ শিক্ষক সকলৰ ভিতৰত ডিব্ৰুগড়ৰ টাইফাকে উচ্চ মাধ্যমিক প্ৰাথমিক বিদ্যালয়ত নি য়ট ৰেংকেন, ৰাষ্ট্ৰভাষা বিদ্যালয় দুলীয়াজানৰ লীলাধৰ উপাধ্যায়, মৰাণ পাবিক হাইস্কুলৰ স্বপ্নালী গগৈ, তিনিচুকীয়াৰ জি বি চৌখানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰণজিৎ বিকাশ চেতিয়া, লখিমপুৰৰ পানীগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভৃগু প্ৰসাদ শৰ্মা, পি এম শ্ৰী টাৰিয়নি বৰবিল হাইস্কুলৰ ডম্বৰুধৰ নেৱাৰ, যোৰহাটৰ আদৰ্শ জনজাতীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজেশ বৰদলৈ আৰু হাইলাকান্দিৰ পি এম শ্ৰীজামিৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চুফিয়ান ছিদ্দিকি বৰভূঞা আছে। একেদৰে প্ৰাথমিক শিক্ষাৰ কৃতি শিক্ষক বঁটাৰ বাবে ডিব্ৰুগড়ৰ পূব জালনি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নিজু ৰাভা, ডাঙৰচুক নিম্ন প্ৰাথমিক বিদ্যালয়ৰ গুণীন্দ্ৰ গোঁহাই, গোলাঘাটৰ এক নম্বৰ পৰানগনিয়া জ্যোতি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নবীন চন্দ্ৰ দাস, শিলভেটা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নন্দিতা ৰাজপুত, যোৰহাটৰ ২৯৫ নম্বৰ কুহুমযুগনীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ৰ অনিল চন্দ্ৰ হাজৰিকা, বালিগাঁও মাধ্যমিক বিদ্যালয়ৰ দিপীকা সভাপণ্ডিত আৰু কামৰূপ মহানগৰৰ ১০ নম্বৰ মাজিৰগাঁও কে আৰ এম নিম্ন প্ৰাথমিক বিদ্যালয়ৰ উৰ্বশী দাস নিৰ্বাচিত হৈছে।

০০০০০০

অসম অলিম্পিক সন্থাই কালি এছিয়ান গেমছত ৰাজ্যৰ প্ৰথম স্বৰ্ণ পদক বিজয়ী ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰে। ১৯৬৬ চনৰ এছিয়ান গেম্‌ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ উত্তৰাধিকাৰক সন্মান জনাই কালি গুৱাহাটীৰ সৰুসজাইত আয়োজন কৰা এটা অনুষ্ঠানত সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হয়।

অসমৰ ক্ৰীড়াজগতৰ জীৱন্ত কিংবদন্তিস্বৰূপ ক্ৰীড়াবিদগৰাকীৰ প্ৰতি সন্মান জনাই অলিম্পিক সন্থাই প্ৰৱৰ্তন কৰা ভোগেশ্বৰ বৰুৱা ক্ৰীড়াবঁটাসমূহ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালিৰ অনুষ্ঠানত প্ৰদান কৰে। প্ৰতি বছৰে ৬টা শিতানত এই বঁটা প্ৰদান কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হৈছে। শ্ৰেষ্ঠ ক্ৰীড়াবিদ, উদীয়মান খেলুৱৈ, জীৱনজোৰা সাধনাৰ বাবে ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব।

প্ৰথমবাৰৰ বাবে এই বঁটা কালি বিভিন্ন শিতানৰ কেইবাগৰাকীও খেলুৱৈক প্ৰদান কৰা হয়। অলিম্পিকৰ পদক বিজয়ী মনু ভাকেৰক ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদ বঁটা প্ৰদান কৰা হয়। ফুটবল খেলুৱৈ সুনীল চেত্ৰীক জীৱনজোৰা সাধনাৰ বঁটা প্ৰদানৰ লগতে বেদব্ৰত ভৰালীক উদীয়মান খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। ৰাজ্যিক পৰ্যায়ত লাভলীনা বৰগোহাঁইক শ্ৰেষ্ঠ ক্ৰীড়াবিদ, দীপাংকৰ ভট্টাচাৰ্যক জীৱনজোৰা সাধনা বঁটা আৰু সাঁতোৰবিদ প্ৰিয়ানুজ ভট্টাচাৰ্যক উদীয়মান খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। ভোগেশ্বৰ বৰুৱা ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাৰ অংশ হিচাপে বিশেষ স্বীকৃতি বঁটা প্ৰেমধৰ শৰ্মা, স্বাধীন ডেকাৰজা, বলেন্দ্ৰ মোহন চক্ৰৱৰ্তী, জুৱেল বে', জয়দীপ দাস, প্ৰদীপ ব্ৰহ্ম, জিণ্টী বুঢ়াগোহাঁই, চৈয়দ এছ কে আলম, প্ৰয়াত বাবুল ফুকন আৰু ৰাকেশ বণিকক প্ৰদান কৰা হয়।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ী অসমৰ খেলুৱৈসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে। ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটাসমূহ এই অনুষ্ঠানত প্ৰদান কৰাৰ উপৰি ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হয়। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ, ৰাজ্যিক সেৰা আঁচনিৰ বঁটা আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও এই অনুষ্ঠানতে প্ৰদান কৰা হয়। অনুষ্ঠানত ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হয়।

ৰাজ্যৰ ক্ৰীড়া জগতৰ উৎসাহমূলক পৰিৱৰ্তনৰ বাবে জীৱনজুৰি সাধনা কৰা ক্ৰীড়াবিদগৰাকীৰ জন্মদিনটো ৰাজ্যৰ বিভিন্ন ঠাইত অভিৰুচি ক্ৰীড়া দিৱস হিচাপে পালন কৰা হয়। কালিৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশ লৈ ক্ৰীড়াই মানুহৰ সৰ্বাংগীন উন্নতি সাধনত লোৱা ভূমিকা সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয় –

(বাইট)

০০০০০০

কালি দেহাৱসান ঘটা অসমৰ অনাতাঁৰ সংবাদ সেৱাৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়া গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব। ইয়াৰ আগেয়ে আজি দিনৰ ১০ বাজি ৪৫ মিনিটত তেওঁৰ নশ্বৰদেহ আকাশবাণী গুৱাহাটীলৈ আনি শেষ শ্ৰদ্ধা জনোৱা হ'ব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বৰ্ষীয়ান সাংবাদিক গৰাকীৰ কালি বিয়লি প্ৰায় ৩ বাজি ৫৫ মিনিটত গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ।

ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক তথা আন্তৰ্জাতিক পৰ্যায়ত আকাশবাণীৰ বিশেষ সংবাদদাতাৰ পদবীত কাৰ্যনিৰ্বাহ কৰা প্ৰথম অসমীয়া বিৰাজ দাসৰ জন্ম হৈছিল অবিভক্ত কামৰূপ জিলাৰ কমাৰকুছি গাঁৱত। নলবাৰী গৰ্ডন হাইস্কুলত স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰাৰ পাছত তেওঁ নলবাৰী কলেজ আৰু বি বৰুৱা কলেজত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰে। ইয়াৰ পাছত তেওঁ বোম্বে কলেজ অৱ জাৰ্নালিজিমৰ পৰা সাংবাদিকতাৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম সম্পূৰ্ণ কৰে। ১৯৬৩ চনৰ পৰা ১৯৬৬ চনলৈ দি আচাম ট্ৰিবিউন কাকতৰ ষ্টাফ ৰিপোৰ্টাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰা দাসে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬৬ৰ পৰা ১৯৭২ চনলৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ প্ৰেছ ইনফৰমেছন ব্যুৰোত তথ্য সহায়ক আৰু সহকাৰী তথ্য বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৯ৰ পৰা ১৯৮৪ চনলৈ তেওঁ আকাশবাণী গুৱাহাটীৰ সংবাদদাতা হিচাপে কৰ্মৰত আছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ যোজনা আৰু পয়োভৰাৰ জ্যেষ্ঠ সংবাদদাতা হিচাপে প্ৰায় দুবছৰ কাৰ্যনিৰ্বাহ কৰা দাসে মন্ত্ৰালয়ৰ ক্ষেত্ৰ সম্প্ৰচাৰ সঞ্চালকালয়ৰ অধীনত মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাত আঞ্চলিক বিষয়া হিচাপেও কৰ্মত নিয়োজিত আছিল। পৰৱৰ্তী সময়ত তেওঁ প্ৰেছ ইনফৰমেছন ব্যুৰোৰ উপ প্ৰধান তথ্য বিষয়া হিচাপে নিয়োজিত হয়। উল্লেখযোগ্য যে শ্ৰীলংকাৰ কলম্বোত আকাশবাণীৰ বিশেষ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰা বিৰাজ দাসে ৪খন ছাৰ্ক শীৰ্ষ সন্মিলনৰ লগতে মালদ্বীপৰ পৰাও বাতৰি যোগান ধৰিছিল। আকাশবাণী গুৱাহাটীৰ যুটীয়া সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ লোৱাৰ পাছতো তেওঁ কেবাবছৰো আকাশবাণী গুৱাহাটী

আৰু দূৰদৰ্শনৰ অংশকালীন বাতৰি সম্পাদক হিচাপে কাম কৰিছিল। অৱসৰৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত অতিথি অধ্যাপক হিচাপে কাম কৰাৰ উপৰি কেইবাটাও ব্যক্তিগত গণমাধ্যম প্ৰশিক্ষণ প্ৰতিষ্ঠানত জ্যেষ্ঠ প্ৰশিক্ষক হিচাপেও কাম কৰিছিল। বিৰাজ দাসৰ বিয়োগত আকাশবাণী গুৱাহাটীৰ বিষয়া কৰ্মচাৰীসকলৰ লগতে ৰাজ্যখনৰ সাংবাদিকতাৰ ক্ষেত্ৰৰ সৈতে জড়িত বহু লোকে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ অধ্যাপক নিযুক্তিকে ধৰি অন্যান্য বিভিন্ন নীতি নিৰ্ধাৰণৰ বাবে এখন শক্তিশালী সমিতি গঠন কৰাৰ উদ্দেশ্যে কালি এখন বৈঠক অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ জীতেন হাজৰিকাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ প্ৰদীপ বৰুৱা, বিশ্ববিদ্যালয়খনৰ অধীনৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক, ড০ ৰূপম শইকীয়া, অৰ্থনীতি বিভাগৰ অধ্যাপক, ড০ অমৰজ্যোতি মহন্ত, অধ্যাপক যোগীশ্বৰ গোস্বামী, পৰীক্ষা নিয়ন্ত্ৰক ড০ অৰিজিত হাজৰিকা সদস্য আৰু পঞ্জীয়ক পংকজ বৰঠাকুৰ সদস্য সচিব হিচাপে লৈ সমিতিখন গঠন কৰাত অনুমোদন জনায়। কালি সমিতিখনৰ প্ৰথম বৈঠক অনুষ্ঠিত হয়।

০০০০০০

ইংলেণ্ডৰ লিভাৰ পুলত আজি চলিত বৰ্ষৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ২০ জনীয়া ভাৰতীয় দলে অংশগ্ৰহণ কৰিব। এই চেম্পিয়নশ্বিপত অংশগ্ৰহণেৰে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা অসমৰ লাভলীনা বৰগোহাঁইয়ে এবছৰৰ বিৰতিৰ পিছত পুনৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ ঘূৰি আহিব। দুবাৰকৈ বিশ্ব চেম্পিয়ন হোৱা নিখাট জৰীনেও এই প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে।

২০২১ চনৰ বিশ্ব যুৱ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰা শচীন ছিৱাছ আৰু হৰ্ষ চৌধুৰীৰ লগতে যদুমণি সিং, মনদেংবাম, হিতেশ গুলীয়া আৰু অবিনাশ জামৱাল আদি নতুন খেলুৱৈয়ে ভাৰতৰ পুৰুষ দলটোৰ হৈ উৎকৃষ্ট প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৬ ছেপ্তেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত গীতিকাৰ, সাহিত্যিক, সাংবাদিক আৰু চিত্ৰকৰ হিচাপে ড০ ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হ'ব। বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিৱন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই ভাগ ল'বলগীয়া এই আলোচনাৰ অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

জি এছ টি হ্ৰাসৰ ঐতিহাসিক সিদ্ধান্ত, বিদেশীক স্বদেশী কৰাৰ ম্যাদ ১০ বছৰলৈ বৃদ্ধি, ১৫ গৰাকী কৃতি শিক্ষকলৈ ৰাজ্যিক শিক্ষকৰ বঁটা, গুৱাহাটীত উন্মুক্ত নলাত পৰি এটি শিশুৰ করুণ মৃত্যু আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত কালি নতুন দিল্লীত অনুষ্ঠিত জি এছ টি পৰিষদৰ বৈঠকত ৫ আৰু ১৮ শতাংশ জি এছ টি হাৰ বাহাল ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে। বাতৰিটো অন্যান্য কাকতসমূহেও ভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে অমুছলমান লোকক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ সময়সীমা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ ধাৰ্য কৰাৰ এটা বিশেষ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে। এই সিদ্ধান্তৰ প্ৰতি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰাৰ বাতৰি অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন আদিৰ লগতে কেইবাখনো কাকতে বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটীত এটা উন্মুক্ত নলাত পৰি কালি এটি তিনিবছৰীয়া শিশুৰ মৃত্যু হোৱাৰ দুখজনক বাতৰি দৈনিক অগ্ৰদূত, আমাৰ অসম আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ পূৰ্বতকৈ হ্ৰাস পাইছে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। বাতৰিটো দৈনিক অসম কাকতৰ।

অৰুণাচলৰ শিল্পী হেমন্ত বেঙীয়াক ভূপেন হাজৰিকা সমন্বয় বঁটাৰ বাবে বাছনি কৰাৰ বাতৰি আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যত অবৈধ দখলকাৰীৰ বিৰুদ্ধে চলি থকা উচ্ছেদ অভিযানৰ মাজতে আৰক্ষীয়ে ১৩ জন বাংলাদেশী অনুপ্ৰৱেশকাৰীক আটক কৰি বাংলাদেশলৈ উভতাই পঠিওৱাৰ এটা বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ১৫ গৰাকী কৃতি শিক্ষকলৈ ৰাজ্যিক শিক্ষকৰ বঁটা আগবঢ়োৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতৰ।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে বাতৰি বিভাগৰ তৰফৰ পৰা অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ – এই তিনিটা নম্বৰৰ যিকোনো এটা নম্বৰলৈ ২৪ ছেপ্তেম্বৰৰ ভিতৰত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। সবিশেষ জানিবৰ বাবে শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ এয়াৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বিয়লি আৰু সন্ধিয়াৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে বিজুলী-ঢেৰেকণিৰ সৈতে এজাক-দুজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত